OFFICE OF THE PRINCIPAL
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
LAKHIMPUR GIRLS' COLLEGE
ডাকঃ খেলমাটি, উত্তৰ লখিমপুৰ, অসম-৭৮৭০৩১ ▫ P.O.-KHELMATI, NORTH LAKHIMPUR, ASSAM-787031
Phone: (03752)232859, Mobile: 9435086064 Website: www.lgcollege.ac.in, E-mail: lgcollege72rediffmail.com

Ref: 197/CANTEEN/24/103 Date: 22/08/2024

## নিবিদা আহ্বান

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ২০২৪ - ২৫ বৰ্ষৰ কেণ্টিন পৰিচালনাৰ বাবে নিবিদা আহ্বান কৰা হৈছে। ইচ্ছুক প্ৰতিষ্ঠান তথা ব্যক্তিয়ে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ কাৰ্যালয় অথবা ৱেৱচাইটৰ পৰা নিবিদাৰ ফৰ্ম সংগ্ৰহ কৰিব পাৰিব।

নিবিদা জমা দিয়াৰ অন্তিম তাৰিখঃ ২৮/০৮/২০২৪ (দিনৰ ৪ বজাৰ ভিতৰত)

সুৰজিত ভূঞা ২২/৮/২০২৪
(ড° সুৰজিত ভূঞা)
অধ্যক্ষ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
উত্তৰ লখিমপুৰ

অধ্যক্ষ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
উত্তৰ লক্ষীমপুৰ

**কেণ্টিন পৰিচালনাৰ নিয়মাৱলীঃ**

১) কেণ্টিন কৰ্তৃপক্ষই স্বাস্থ্যকৰ উন্নত মানদণ্ডৰ ভিন্নতাসম্পন্ন খাদ্য যোগান ধৰিব লাগিব।

২) ছাত্ৰীসকলৰ বাবে সুলভ মূল্যত খাদ্যৰ যোগান ধৰিব লাগিব।

৩) কেণ্টিনৰ কৰ্মচাৰীসকলে পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখিব লাগিব।

৪) কেণ্টিন কৰ্তৃপক্ষই কেণ্টিনৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখাটো বাধ্যতামূলক।

৫) কেণ্টিন কৰ্তৃপক্ষই নিৰামিষ আৰু আমিষ দুয়োপ্ৰকাৰৰ খাদ্য যোগান ধৰিব লাগিব।

৬) কেণ্টিন কৰ্তৃপক্ষই মহাবিদ্যালয়ক মাহিলী ৩০০০.০০ টকা পৰিশোধ কৰিব লাগিব। মাহিলী মাচুল প্ৰত্যেক মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত পৰিশোধ কৰিব লাগিব।

৭) কেণ্টিন কৰ্তৃপক্ষই মহাবিদ্যালয়ক ১০,০০০.০০ টকা আমানত ধন হিচাপে জমা দিব লাগিব।

৮) মহাবিদ্যালয়ৰ নিৰ্দিষ্ট বন্ধৰ বাহিৰে প্ৰত্যেক দিনে কেণ্টিন খোলা ৰাখিব লাগিব।

৯) মহাবিদ্যালয়ৰ নিৰ্দিষ্ট কৰ্মসূচীৰ সময়ছোৱা (দিনৰ ৪ বজালৈকে) কেণ্টিন খোলা ৰাখিব লাগিব।

১০) কেণ্টিনৰ সম্পূৰ্ণ আচবাব কেণ্টিন কৰ্তৃপক্ষই আনিব লাগিব। মহাবিদ্যালয়ৰ তৰফৰ পৰা কোনোধৰণৰ আচবাব যোগান ধৰা নহ'ব।

১১) কেণ্টিন কৰ্তৃপক্ষ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু কেণ্টিন কমিটিৰ ওচৰত দায়বদ্ধ হৈ থাকিব লাগিব।

১২) কেণ্টিন কৰ্তৃপক্ষই মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত এখন চুক্তিপত্ৰত স্বাক্ষৰ কৰিব লাগিব।

১৩) কেণ্টিনৰ ম্যাদ ১ বছৰলৈ থাকিব। ১ বছৰৰ পিছত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই নিজ সিদ্ধান্ত অনুসৰি নিবিদা আহ্বান অথবা ম্যাদ নবীকৰণ কৰিব পাৰিব।